**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-06-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসম সচিবালয়ত আজি সৌৰশক্তি প্ৰকল্প মুকলি কৰে। এই প্ৰকল্পৰ জৰিয়তে মাহে গড়ে তিনি লাখ ইউনিট বিদ্যুৎ উৎপাদন কৰি প্ৰচলিত শক্তিৰ উৎসৰ ব্যৱহাৰ হ্ৰাস কৰাৰ লক্ষ্য লোৱা হৈছে। ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্প মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, এই প্ৰকল্পৰ জৰিয়তে অসম সচিবালয়ৰ দেশৰ প্ৰথম সেউজ সচিবালয়ৰূপে পৰিণত হৈছে। এতিয়াৰে পৰা কেৱল সৌৰ শক্তিৰ দ্বাৰাহে অসম সচিবালয়ৰ কাম-কাজ চলিব বুলি তেওঁ প্ৰকাশ কৰে। লগতে তেওঁ কয় যে এই প্ৰকল্পৰ ফলত অসম সচিবালয়ে প্ৰতিমাহে বহন কৰিবলগীয়া ৩০ লাখ টকা বিদ্যুৎ মাচুল ৰাহি হব। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, শীঘ্ৰে ৰাজ্যৰ প্ৰধান চিকিৎসালয়, চৰকাৰী কাৰ্যালয়, আৰু বিশ্ববিদ্যালয়ত সৌৰ শক্তিৰ ব্যৱস্থা কৰা হব। ৰাজ্যবাসীক ঘৰত সৌৰশক্তি পেনেল বহাবলৈ তেওঁ আহ্বান জনায়। সৌৰশক্তি ব্যৱহাৰ কৰাৰ লোকক প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিৰ জৰিয়তে চৰকাৰে ৰাজ সাহায্য প্ৰদান কৰিব বুলিও তেওঁ উল্লেখ কৰে। ইপিনে, পহিলা জুলাইৰ পৰা মন্ত্ৰী-বিধায়ক আৰু প্ৰথম শ্ৰেণীৰ বিষয়াসকলক ঘৰুৱা বিদ্যুৎ মাচুল নিজে নিজে পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে অহা বছৰৰ পহিলা জুলাইৰ পৰা ৰাজ্যৰ নিম্ন, মধ্যবিত্ত আৰু দুখীয়া লোকৰ বিদ্যুৎৰ মাচুল এক টকাকৈ কমাবলৈ বিদ্যুৎ বিভাগক নিৰ্দেশ দিয়ে। অনুষ্ঠানত শক্তিমন্ত্ৰী নন্দিতা  গাৰ্লোচাৰ লগতে শক্তি বিভাগৰ বিভিন্ন শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ ৰূপনগৰত নিৰ্মীয়মান অৱস্থাত থকা কামৰূপ মহানগৰ জিলা আয়ুক্ত কাৰ্যালয়টোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। নিৰ্মাণকাৰ্যৰ খতিয়ান লৈ  মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই কাৰ্যালয়টো চলিত বছৰৰ শেষৰ ফালে মুকলি কৰা হব বুলি আশা প্ৰকাশ কৰে। তেঁও কয় যে, চলিত বছৰৰ শেষৰ পৰা ৰূপনগৰত নিৰ্মাণ কৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা প্ৰশাসনিক কাম-কাজ আৰম্ভ কৰিব পৰা যাব। বৰ্তমান হেঙেৰাবাৰীৰ কাৰ্যালয়টো দিশপুৰ উপ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ৰূপে পৰিগণিত হ'ব।

০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত কাইলৈ নিশা চাৰে ন বজাত স্বাস্থ্য আৰু কল্যাণৰ বাবে যোগ সন্দৰ্ভত মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠানৰ যোগ বিশেষজ্ঞ ডাঃ সুৰক্ষিত গোস্বামী আৰু যোগ চিকিৎসা কাৰ্যসূচী বিষয়া ডাঃ ঈশ্বৰ এন আচাৰ্য্যৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **যোগভ্যাসৰ বিভিন্ন দিশ** সম্পৰ্কে বিশেষজ্ঞ দুৱাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে  ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান  প্ৰচাৰ হব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২১ জুনৰ আন্তৰ্ৰাষ্ট্ৰীয় যোগ দিৱসৰ পূৰ্বে আজি সামাজিক মাধ্যমযোগে পদ্মহস্তাসনৰ এটা ভিডিঅ' প্ৰচাৰ কৰিছে। ভিডিঅ'টো শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে বিভিন্ন উপকাৰৰ হেতু এই আসনৰ অনুশীলন কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। ভিডিঅ' ক্লিপটোত হিন্দী আৰু ইংৰাজী ভাষাত এই আসনৰ বিভিন্ন উপকাৰ আৰু অনুশীলনৰ পদক্ষেপসমূহৰ পুংখানুপুখ  ব্যাখ্যা আগবঢ়োৱা হৈছে।

০০০০

আৰকাৰীৰ চোৰাংচোৱা সংস্থাই তামুলপুৰ জিলাৰ ভিন্ন প্ৰান্তত আজি অভিযান চলাই বৃহৎ পৰিমাণৰ অবৈধ বিদেশী সুৰা জব্দ কৰে। গুৱাহাটীৰ পৰা অহা আৰকাৰীৰ দলটোৱে চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পৰা চোৰাংকৈ সৰবৰাহ কৰা প্ৰায় ২৫ লাখ টকা মূল্যৰ সুৰা জব্দ কৰে। আৰকাৰী বিভাগৰ দলটোৱে তামুলপুৰৰ পংকজ কলিতা নামৰ লোকজনৰ কেইবাটাও গুদামত অভিযান চলাই বিদেশী সুৰাখিনি জব্দ কৰে। অভিযানৰ উমান পাই পংকজ কলিতাই পলায়ন কৰে।

০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ফ্লোৰিডাত হ'বলগীয়া গ্ৰুপ এৰ এখন খেলত পাকিস্তান, আয়াৰলেণ্ডৰ  বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। গ্ৰুপ এৰ পৰা ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই চুপাৰ এইট পৰ্যায়ত স্থান নিশ্চিত কৰিছে।

ইপিনে, অষ্ট্ৰেলিয়াই আজি পুৱা প্ৰতিযোগিতাৰ গ্ৰুপ বিৰ এখন খেলত স্কটলেণ্ডক ৫ উইকেটত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই ১৮১ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৪টা বলত ৫টা উইকেট হেৰুৱাই ১৮২ ৰাণ কৰে। অষ্ট্ৰেলিয়াৰ হৈ ট্ৰেভিজ হেডে ৪৯ টা বলত ৬৮ ৰাণ কৰে আৰু মাৰ্কাছ ষ্টয়নিছে ২৯ টা বলত ৫৯ ৰাণৰ বৰঙণি আগবঢ়ায়। ইয়াৰ আগেয়ে স্কটলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰা নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেটৰ বিনিময়ত ১৮০ ৰাণ কৰে। মাৰ্কাছ ষ্টয়নিছক প্লেয়াৰ অৱ দ্যা মেচ ঘোষণা কৰা হয়। আজিৰ খেলখনত পৰাজয়ৰ পাছত স্কটলেণ্ড প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে আৰু ইংলেণ্ডে উন্নত ৰান ৰেটৰ ভিত্তিত চুপাৰ এইট পৰ্যায়ত স্থান লাভ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ